# অন্ধবিশ্বাস



❑ জিতুমণি পাঠক

ভোকত পেটটোৱে কলমলাই উঠিছিল তাৰ আৰু সেই সময়তে তাৰ চকু পৰিছিল একান্তমনে আকাশলৈ চাই মুখৰ ভিতৰতে বিৰবিৰাই থকা পাগলীজনীলৈ। গাড়ীৰ দুৱাৰখন খুলিব খুজিও সি ৰৈ গৈছিল। ভোকটোৱে পুনৰ উক দি উঠিছিল। কিয় জানো সেই মুহূৰ্তত পাগলীজনীৰ কথা ভাবি মনটো বেয়া লাগি গ'ল। বেচেৰীজনীয়েও চাগে কিমান দিন ধৰি একো এটা খাবলৈ পোৱা নাই। সি তাইৰ ওচৰলৈ গৈ টকা বিছটা তাইলৈ আগবঢ়াই দিলে। কিন্তু তাই তালৈ গুৰুত্বই নিদি একান্তমনে নিজৰ জগতখনত ব্যস্ত হৈ থাকিল। সি এইবাৰ জোৰ কৰি তাইৰ হাতত বিছ টকাৰ নোটখন গুঁজি থৈ আহিল।

দিনটো সিদিনাখন তাৰ বৰ ভালকৈ গ'ল। যি কামত হাত দিলে তাতেই সফল। আনকি বহুদিনীয়া কেতিয়াও হ'ব বুলি নভবা কামবোৰো হৈ উঠিল সিদিনাখন। ৰাতি শুবৰ সময়ত সেইবোৰ পাগুলি থাকোঁতেই হঠাৎ তাৰ পাগলীজনীলৈ মনত পৰিল। পাগলীজনী তাৰ বাবে লাকী নহয়তো! ধেৎ। তাৰ নিজে নিজৰ ওপৰত হাঁহি উঠি গ'ল।

দুদিনমান পাছত সি আকৌ তাইক লগ পালে। গাড়ীৰ খিৰিকীখন খুলি কি ভাবি জানো সি আকৌ তাইৰ হাতত বিছ টকীয়া নোট এখন গুঁজি থৈ আহিল। তাক আচৰিত কৰি সিদিনাখনো তাৰ দিনটো অদ্ভুত ধৰণে ভাল হৈ উঠিল। সি জানে এয়া নিতান্তই এক কাকতালীয় ঘটনা। তথাপি সি তাৰ বন্ধু এজনক কথাটো ক'লে। কেইদিনমান পাছত বন্ধুজনে আশ্চৰ্য মিহলি কণ্ঠেৰে জনালে যে তেওঁৰ ক্ষেত্ৰতো হেনো পাগলীজনী সৌভাগ্যৰ প্ৰতীক হিচাপে ধৰা দিছে।

সৰুৰে পৰা যুক্তিবাদী সি। অন্ধবিশ্বাসক কোনোদিনেই প্ৰশ্ৰয় দিয়া নাই। কিন্তু কিয় জানো হঠাতে তাৰ এই অন্ধবিশ্বাসটোক তাৰ হৃদয়ত ৰোপণ কৰাৰ বাসনা জাগি উঠিল। অকল নিজৰ মাজত ৰোপণ কৰাই নহয়, ইয়াক সকলোৰে মাজলৈ বিয়পাই দিবলৈও তাৰ এক তীব্ৰ আকাংক্ষা জাগি উঠিল। সি জানে কাৰোবাক অন্ধবিশ্বাসৰ বাবে প্ৰৰোচিত কৰা উচিত নহয়। লগতে কিন্তু সি জানে ভোকাতুৰ মানুহৰ ক্ষুধাৰ তীব্ৰতাকো। অনুচিত হ'লেও সি ৰোপণ কৰা এই অন্ধবিশ্বাসৰ মায়াজালে অন্ততঃ কাৰোবাৰ ক্ষুধাৰ জ্বালা প্ৰশমিত কৰিব।

ফোন ঃ ৯৮৫৪০-১৮১১৭